# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 10-03-2025
**Time:** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*
**- - - - - - - - - - - - - - -**

১। অসম বিধানসভাত আজি বিত্তমন্ত্ৰী অজন্ত নেওগৰ ২০২৫-২৬ বৰ্ষৰ সাধাৰণ বাজেট উত্থাপন। ২০২৪-২৫ বৰ্ষৰ বাজেটৰ মুঠ ব্যয় ১ লাখ ৪১ হাজাৰ ৫২৯ কোটি টকা ধাৰ্য।

২। বাজেটক লৈ শাসক-বিৰোধীৰ ভিন্ন প্ৰতিক্ৰিয়া। এই জনমুখী বাজেটে ৰাজ্যখনৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰিব বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য।

৩। চলিত বৰ্ষৰ জানুৱাৰীলৈকে ৰাজ্যখনত ৯৬ দশমিক ৯-৭ শতাংশ লোকে আধাৰ লাভ কৰিছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৪। অৰুণাচল প্ৰদেশ বিধানসভাত আজি মুঠ ৩৯ হাজাৰ ৮৪২ কোটি টকাৰ ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেট দাখিল। **আৰু**

৫। অসমীয়া চলচ্চিত্ৰৰ ৯০ বছৰীয়া গৌৰৱময় যাত্ৰা উপলক্ষে গুৱাহাটীত আজি বিশেষ অনুষ্ঠানৰ আয়োজন।

০০০০০

অসম বিধানসভাত বিত্তমন্ত্ৰী অজন্তা নেওগে আজি ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট উত্থাপন কৰে। ২০২৪-২৫ বৰ্ষৰ বাজেটৰ মুঠ ব্যয় ১ লাখ ৪১ হাজাৰ ৫২৯ কোটি টকা ধাৰ্য কৰা হৈছে।

এইবাৰৰ বাজেটত ৰাজ্য চৰকাৰৰ ধবজাবাহী আঁচনি অৰুণোদয়ৰ তৃতীয় পৰ্যায়ৰ বাবে প্ৰায় ৫ হাজাৰ কোটি টকা ধাৰ্য কৰা হৈছে। অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ সংখ্যা ১৮ লাখৰ পৰা পৰৱৰ্তী বিত্তীয় বছৰৰ শেষলৈ ৩৭ দশমিক ২ লাখলৈ বৃদ্ধি কৰা হ'ব বুলি বিত্তমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। বিধৱা পেঞ্চনৰ হিতাধিকাৰীৰ সংখ্যাও পূৰ্বৰ ২৮ লাখৰ পৰা ৩৭ লাখ ২০ হাজাৰলৈ বৃদ্ধি কৰা হ'ব। এই আঁচনিৰ অধীনত প্ৰদান কৰি অহা ধন মাহে এহেজাৰ ২৫০ টকালৈ বৃদ্ধি কৰা হ'ব বুলিও বিত্তমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে।

**ভইচ (ৰাজীৱ লোচন বৰঠাকুৰ)**

(V.O.) প্ৰত্যাশিতভাৱেই বিত্তমন্ত্ৰী অজন্তা নেওগে এখন নিৰ্বাচনমুখী বাজেট আজি বিধানসভাত উত্থাপন কৰিলে। তেওঁৰ বাজেট ভাষণৰ আৰম্ভণিতেই বিত্তমন্ত্ৰীগৰাকীয়ে একেৰাহে পঞ্চমবাৰৰ বাবে এগৰাকী মহিলা বিত্তমন্ত্ৰীয়ে ৰাজ্যৰ বাজেট উত্থাপন কৰাটো এটা গৌৰৱৰ বিষয় বুলি উল্লেখ কৰে। তেওঁ দাবী কৰে , যে দেশৰ ৰাজ্যসমূহৰ ভিতৰত ঋণ আৰু মুঠ ঘৰুৱা ৰাজ্যিক উতপাদনৰ অনুপাত অসমত নিচেই কম। ২৪ দশমিক ৩ অনুপাতেৰে অসম দেশৰ ৰাজ্যসমূহৰ উণবিংশ স্থানতহে আছে। নীতি আয়োগৰ শেহতীয়া তথ্য অনুসৰি অসম চৰকাৰৰ নিৰন্তৰ প্ৰচেষ্টাৰ ফলত ৰাজ্যখনৰ ৪৬ লাখ ৮৭ হাজাৰ লোক দৰিদ্ৰ সীমাৰেখাৰ ওপৰলৈ আহিবলৈ সক্ষম হৈছে। অসম চৰকাৰৰ প্ৰধান ধ্বজাবাহী

আচনি- অৰুণোদয়ৰ তৃতীয় পৰ্যায়ত ২০২৫-২৬ বৰ্ষত প্ৰায় ৫ হাজাৰ কোটি টকা ধাৰ্য কৰা হৈছে বুলি আজি বিত্তমন্ত্ৰী নেওগে বাজেট ভাষণত উল্লেখ কৰাৰ সময়ত শাসক পক্ষৰ সদস্যসকলে বিপুল কৰতালিৰে ইয়াৰ সমৰ্থন জনায়। অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ সংখ্যা ১৮ লাখৰ পৰা পৰৱৰ্তী বিত্তীয় বছৰৰ শেষলৈ ৩৭ দশমিক ২ লাখলৈ বৃদ্ধি কৰা হব বুলি বিত্তমন্ত্ৰীয়ে ঘোষণা কৰে। অসম চৰকাৰৰ বিধৱা পেঞ্চনৰ পৰিমাণো অৰুণোদয় আঁচনিৰ ধনৰ সমান অৰ্থাত মাহে ১২৫০ টকা কৰা হব বুলিও বিত্তমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। মুখ্যমন্ত্ৰীৰ অভিলাসী আঁচনি-- নিযুত মইনা আচনিখনৰ অধীনত মুঠ ৰাজ্যখনৰ একাদশ শ্ৰেণীৰ পৰা স্নাতকোত্তৰ আৰু বি এড পাঠ্যক্ৰমত অধ্যয়নৰত ৪ লাখ ৩০ ছাত্ৰীক সামৰি লোৱাৰ প্ৰস্তাৱ বাজেটত ৰখা হৈছে। তদুপৰি মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ অধীনত পৰৱৰ্তী বিত্তীয় বছৰত ৰাজ্য চৰকাৰে মুঠ ৩ হাজাৰ ৩৮ কোটি টকা ব্যয় কৰিব আৰু অহা পহিলা এপ্ৰিলত বিহালী সমষ্টিত এই আঁচনিৰ শুভাৰম্ভ কৰা হব। লাখপতি বাইদেউ আঁচনিৰ অধীনত এইবাৰৰ বাজেটত ২৫০ কোটি টকা, মহিলা ষ্টাৰ্টআপ উদ্যমীলৈ আগবঢ়োৱা হব। সামাজিক সুৰক্ষাৰ ক্ষেত্ৰত এই বছৰৰ অক্টোবৰ মাহৰ পৰা খাদ্য সুৰক্ষা আঁচনিৰ অধীনত ৰেচন কাৰ্ড থকা প্ৰতিটো পৰিয়ালক প্ৰতি কেজি মচুৰ দাইলত ২৫ টকা, প্ৰতি কেজি চেনিত ২০ টকা আৰু প্ৰতি কেজি নিমখত ১০ টকাকৈ ৰাজ সাহাৰ্য প্ৰদান কৰা হব। ইয়াৰ বাবে বাজেটত ৩৭০ কোটি টকা আচুতিয়াকৈ ৰখা হব। কৰ্মচাৰীসকললৈ আগবঢ়োৱা আপোন ঘৰ আৰু আপোন বাহন আঁচনি ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান আৰু ঠিকাভিত্তিক কৰ্মচাৰীলৈ সম্প্ৰসাৰিত কৰা হব। জীৱনধাৰা আৰু ঘৰুৱা বিদ্যুত ব্যৱহাৰকাৰীসকলক সকাহ দিয়াৰ বাবে প্ৰতি মাহে ১২০ ইউনিটতকৈ কম বিদ্যুত ব্যৱহাৰ কৰা গ্ৰাহকসকলক প্ৰতি ইউনিটত এটকাকৈ ৰেহাই দিয়াৰ ব্যৱস্থা কৰা হব। ৰাজ্যখনৰ আন্তঃগাঁথনি খণ্ডত বিনিয়োগৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড়ৰ লাহুৱালত থকা পলিটেকনিক প্ৰতিষ্ঠানখনক আভিযান্ত্ৰিক মহাবিদ্যালয়লৈ উন্নীত কৰা, দৰং জিলাত নতুন চিকিতসা মহাবিদ্যালয় স্থাপনৰ বাবে বাজেটত ৫৮২ কোটি টকা, উত্তৰ গুৱাহাটীৰ ৰংমহলত নতুন উচ্চ ন্যায়ালয় ভৱন নিৰ্মাণৰ বাবে ৪০৫ কোটি টকা, গুৱাহাটী নেহৰু ষ্টেডিয়ামত ফিফাৰ অধীনত ফুটবল প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনৰ বাবে ৬৭৫ কোটি টকা, শিলচৰত এখন ফ্লাইঅভাৰ নিৰ্মাণৰ বাবে ৭০০ কোটি টকা, গোলাঘাটৰ পাণবাৰীত প্ৰাকৃতিক ইতিহাস সংগ্ৰহালয় নিৰ্মাণৰ বাবে ৫০০ কোটি টকা আৰু কাৰ্বি আংলঙত কৃষি মহাবিদ্যালয়, পশু চিকিতসা বিজ্ঞান মহাবিদ্যালয় আৰু সৈনিক স্কুল নিৰ্মাণৰ বাবে ৯৫০ কোটিৰো অধিক টকা আৱণ্টন দিয়াৰ প্ৰস্তাৱ কৰা হৈছে। মধুপুৰ সত্ৰৰ বাবে অসম চৰকাৰে ৫০ কোটি টকাৰ সাহাৰ্য আগবঢ়োৱাৰ বাবে বিবেচনা কৰা হৈছে বুলি উল্লেখ কৰে। অসম চুক্তিৰ ষষ্ঠ দফাৰ ৰূপায়ণৰ বাবে চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতা দোহাৰি বিত্ত মন্ত্ৰীয়ে আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰলৈ ১০০ কোটি টকাৰ এককালীন সাহাৰ্য, সকলো জিলা সদৰত অত্যাধুনিক সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱন নিৰ্মাণৰ বাবে ৭০০ কোটি টকাৰ অভিলাসী আঁচনিৰ কথা ঘোষণা কৰে। চলিত বিত্তীয় বছৰত ১২ খন জিলা সদৰত এই ভৱন নিৰ্মাণৰ বাবে ২৪০ কোটি টকা আৱণ্টন কৰা হব। উত্তৰ গুৱাহাটীৰ শিলাত থকা ড০ ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচ্চিত্ৰ আৰু টেলিভিছন প্ৰতিষ্ঠানত ডিগ্ৰী পৰ্যায়লৈ উন্নীত কৰা হব আৰু গুৱাহাটীৰ জ্যোতি চিত্ৰবনৰ উন্নয়নৰ বাবে পৰ্যাপ্ত সাহাৰ্য আগবঢ়োৱাৰ কথাও আজিৰ বাজেটত উল্লেখ কৰা হয়। শিলচৰৰ অসম বিশ্ববিদ্যালয় মূল চৌহদত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ নামত আৰু তেজপুৰ বিশ্ববিদ্যালয়ত সাহিত্যকান্দাৰী পদ্মনাথ গোহাঁইবৰুৱাৰ নামত আসন প্ৰতিষ্ঠাৰে অসমীয়া বিষয় প্ৰৱৰ্তন কৰা হব। তদুপৰি ব্ৰহ্মপুত্ৰ উপত্যকাত থকা ৰাজ্যিক আৰু কেন্দ্ৰীয় শিক্ষা পৰিষদৰ অধীনৰ

সকলো ইংৰাজী মাধ্যমৰ বিদ্যালয়ত অসমীয়া বিষয়ৰ শিক্ষাদান বাধ্যতামূলক কৰাৰ আইনী ব্যৱস্থা প্ৰৱৰ্তন কৰা হব। ষষ্ঠ অনুসূচীৰ অধীনৰ ৰাজ্যখনৰ স্বায়ত্ব শাসিত পৰিষদ কেইখনলৈ পুঁজি যোগানৰ কথা উল্লেখ কৰি বিত্তমন্ত্ৰীয়ে কয়, যে বড়োলেণ্ড আঞ্চলিক পৰিষদলৈ এহেজাৰ ১৪৩ কোটি, কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদলৈ ৬২১ কোটি টকা আৰু উত্তৰ-কাছাৰ পাৰ্বত্য পৰিষদলৈ ৩০৬ কোটি টকা আগবঢ়োৱা হব। লোকনিৰ্মাণ বিভাগত স্বাস্থ্য আৰু শিক্ষা সম্পৰ্কীয় নিৰ্মাণ কাৰ্য তদাৰকৰ বাবে এটা সুকীয়া বিভাগ লোকনিৰ্মাণ বিভাগৰ ভৱন আৰু ৰাষ্ট্ৰীয় ঘাইপথ শাখাৰ পৰা পৃথক কৰি সৃষ্টি কৰা হব। গুৱাহাটীৰ নৰকাসুৰ পাহাৰত থকা দশম অসম আৰক্ষী বেটেলিয়ানক সোণাপুৰৰ কচুতলীলৈ স্থানান্তৰ কৰা হব আৰু এই স্থানত বিশ্বমানৰ ছেণ্ট্ৰেল বিজিনেছ ডিষ্ট্ৰিক নিৰ্মাণেৰে অত্যাধুনিক আন্তঃগাঁথনি সৃষ্টি কৰা হব। ইয়াৰ উপৰি আছাম ছেট নামেৰে অসমৰ নিজা কৃত্ৰিম উপগ্ৰহ মহাকাশত স্থাপন, অসমত প্ৰথম বেম্বো স্মাৰ্ট ছিটী, অসম আৰক্ষীক কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগেৰে এণ্টি DEEPFAKE আৰু নিৰীক্ষণ পৰীক্ষাগাৰ স্থাপন, খানাপাৰাৰ পৰা বৰঝাৰ বিমান বন্দৰলৈ ৰজ্জুপথ নিৰ্মাণ, ফাচী বজাৰৰ পৰা বিমান বন্দৰলৈ অত্যাধুনিক ৰাটাৰ মেট্ৰো প্ৰৱৰ্তন আদি কেইবাটাও অভিলাসী প্ৰকল্প নিৰ্মাণৰ কথা বিত্তমন্ত্ৰীয়ে আজিৰ বাজেট ভাষণত উল্লেখ কৰে।

ooooo

অসম বিধানসভাত আজি বিত্তমন্ত্ৰী অজন্তা নেওগে দাখিল কৰা ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেটে জনসাধাৰণৰ জীৱন যাত্ৰা সহজ কৰি ৰাজ্যখনৰ উন্নয়নক নতুন গতি দিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। আজি দাখিল কৰা বাজেট অনুসৰি অসম কম পৰিমাণে ঋণ গ্ৰহণ কৰা দেশৰ ৫ খন ৰাজ্যৰ তালিকাত অন্তৰ্ভুক্ত হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয়, যে ২০১৫ চনৰ পৰা ৰাজ্যখনৰ মুঠ ঘৰুৱা উৎপাদন ৰাষ্ট্ৰীয় মুঠ ঘৰুৱা উৎপাদনৰ তুলনাত বৃদ্ধি পাইছে। মুখ্যমন্ত্ৰীয়ে এখন জনমুখী বাজেট উত্থাপন কৰাৰ বাবে বিত্তমন্ত্ৰীগৰাকীক আন্তৰিক অভিনন্দন জ্ঞাপন কৰে।

**বাইট (চি এম)**

বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই আজি বাজেটখন আশানুৰূপ হোৱা নাই বুলি মত প্ৰকাশ কৰে। তৃণমূল কংগ্ৰেছৰ নেতা ৰিপুণ বৰাই আজি দাখিল হোৱা বাজেটখনক আলংকাৰিক আৰু মিছা প্ৰতিশ্ৰুতিৰ সমাহাৰ বুলি অভিযোগ তোলে।

ooooo

অসমৰ প্ৰত্যেক জিলাৰ আধাৰ কেন্দ্ৰসমূহত আধাৰ লাভৰ ব্যৱস্থা আছে আৰু চলিত বৰ্ষৰ জানুৱাৰীলৈকে ৰাজ্যখনত ৯৬ দশমিক ৯-৭ শতাংশ লোকে আধাৰ লাভ কৰিছে। বাজেট দাখিলৰ পূৰ্বে আজি বিধানসভাত বিধায়ক কমলাক্ষ দে' পুৰকায়স্থৰ এটা প্ৰশ্নৰ উত্তৰত গৃহ বিভাগৰো দায়িত্বত থকা মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে অসমত থকা বাংলাদেশীৰ সংখ্যা ২০২১ চনৰ পৰা ২০২৪ চনলৈ ১৫৬ আৰু ইয়াৰে ২০২১ চনত ৫১, ২০২২ চনত ৫৭, ২০২৩ চনত ২২ আৰু ২০২৪ চনত ২৬ জন বাংলাদেশীক চিনাক্ত কৰা হৈছে। নাগৰিকত্ব বিষয়ত উত্থাপিত এটা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয়, যে এই বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ। লোকপিয়ল সঞ্চালকালয়ৰ পৰা পোৱা তথ্য মতে নাগৰিকত্ব সংশোধনী আইন প্ৰৱৰ্তন হোৱা দিনৰ পৰা এতিয়ালৈ অসমত বাস কৰা মুঠ ৩৯ জন লোকে এই আইনৰ অধীনত নাগৰিকত্বৰ বাবে আবেদন কৰিছে। আবেদনকাৰীসকলৰ মাজৰ পৰা এতিয়ালৈকে দুগৰাকীক নাগৰিকত্ব প্ৰদান কৰা হৈছে আৰু ১৮ খন আবেদন বিচৰাধীন হৈ আছে বুলি ড০ শৰ্মাই জানিবলৈ দিয়ে।

০০০০০

ৰাজ্যত বৰ্তমান ২ কোটি ৪৮ লাখ ৬১ হাজাৰ ৯৭৯ জন ভোটদাতাৰ বিপৰীতে ১ লাখ ১৮ হাজাৰ ১৩৪ জন ডি-ভোটাৰ আছে। বিধানসভাত আজি বিধায়ক নিজানুৰ ৰহমানৰ এটা প্ৰশ্নৰ উত্তৰত গৃহ বিভাগৰো দায়িত্বত থকা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই কথা জানিবলৈ দিয়ে। তেওঁ কয়, যে বৰ্তমানলৈকে ২ লাখ ৪৪ হাজাৰ ১৪৪ জন লোকৰ বিৰুদ্ধে বিদেশী ন্যায়াধীকৰণত গোচৰ ৰুজু কৰা হৈছে। ইয়াৰে ১ লাখ ৯৬ হাজাৰ ৯৫১টা গোচৰ নিষ্পত্তি হৈছে আৰু ৪৭ হাজাৰ ১৫৩টা গোচৰ এতিয়াও নিষ্পত্তি হ'বলৈ বাকী আছে। বৰ্তমানলৈকে ৰাজ্যখনত ৫৬ হাজাৰ ৯৪৮ জন লোকক বিদেশী হিচাপে ঘোষণা কৰা হৈছে বুলি উল্লেখ কৰি ডঃ শৰ্মাই কয়, যে ডি-ভোটাৰ হিচাপে কোনো লোকলৈ জাননী জাৰি কৰা নহয়। তদুপৰি জাতি-জনগোষ্ঠীৰ ভিত্তিতো ডি-ভোটাৰৰ তথ্য সংৰক্ষণ কৰা নহয় বুলি গৃহ বিভাগৰো দায়িত্বত থকা মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

অৰুণাচল প্ৰদেশ বিধানসভাত আজি ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে মুঠ ৩৯ হাজাৰ ৮৪২ কোটি টকাৰ বাজেট দাখিল কৰা হয়। ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী তথা বিত্ত মন্ত্ৰী চাওনা মেইনে আজি বিধানসভাত প্ৰায় ৯৬৪ কোটি ৫০ লাখ টকাৰ ঘাটি বাজেটখন দাখিল কৰে। এই বাজেটত ৰাজহ আদায়ৰ পৰিমাণ ৩৪ হাজাৰ ৫৪৪ কোটি টকা ধাৰ্য কৰা হৈছে। ইয়াৰে কেন্দ্ৰীয় কৰৰ ক্ষেত্ৰত ৰাজ্যখনৰ অংশ ১৬ দশমিক ৬-১ শতাংশ বৃদ্ধিৰে ২৪ হাজাৰ ৯৯২ কোটি ৩৫ লাখ টকা হৈছে। দৰিদ্ৰতা দূৰীকৰণ, গুণগত শিক্ষা, সৰ্বাত্মক স্বাস্থ্য সেৱা, দক্ষ লোকক নিযুক্তি আৰু অৰ্থনীতিত মহিলা আৰু কৃষকসকলৰ সক্ৰিয় অংশগ্ৰহণৰ দ্বাৰা বিকশিত অৰুণাচল গঢ়ি তোলাৰ লক্ষ্যৰে এই বাজেট দাখিল কৰা হৈছে। বাজেটত শিক্ষাৰ ক্ষেত্ৰত ৩ হাজাৰ কোটি আৰু স্বাস্থ্যৰ ক্ষেত্ৰত ৩৬৯ কোটি টকা আৱণ্টন দিয়া হৈছে।

০০০০০

ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ সংগ্ৰহ আৰু দাখিল প্ৰক্ৰিয়া আজি আৰম্ভ হৈছে। পৰিষদৰ অন্তৰ্গত গোৱালপাৰা জিলাৰ ২০টা সমষ্টিৰ বাবে মনোনয়ন পত্ৰ বিতৰণ আৰু গ্ৰহণৰ বাবে জিলা প্ৰশাসনে নিয়াৰিকৈ ব্যৱস্থা গ্ৰহণ কৰিছে। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ ইচ্ছুক ব্যক্তিয়ে জিলাখনৰ আয়ুক্তৰ কাৰ্যালয়ৰ পৰা মনোনয়ন পত্ৰ সংগ্ৰহ কৰি দাখিল কৰিব পাৰিব বুলি প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে। আজি এই নিৰ্বাচনৰ সামগ্ৰিক কাম-কাজ পৰিচালনাৰ বাবে জিলাখনৰ আয়ুক্ত তথা ৰিটাৰ্নিং বিষয়া খনীন্দ্ৰ চৌধুৰীয়ে সহকাৰী ৰিটাৰ্নিং বিষয়াসকলৰ বাবে এটা প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰে। ইয়াৰ পাছত নিৰ্বাচনৰ মনোনয়ন পত্ৰ গ্ৰহণ ব্যৱস্থা, বেলট বাকচ বিতৰণ, ষ্ট্ৰং ৰুমৰ ব্যৱস্থাকে ধৰি বিভিন্ন দিশ সকলো বিষয়াই পৰ্যবেক্ষণ কৰে।

০০০০০

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ **জয়মতী**ৰে আৰম্ভ কৰা অসমীয়া চলচ্চিত্ৰৰ গৌৰৱময় যাত্ৰাই আজি ৯০ বছৰ সম্পূৰ্ণ কৰিছে। এই উপলক্ষে আজি গুৱাহাটীৰ আইদেউ ছবিঘৰত সাংস্কৃতিক সাংবাদিক সন্থা আৰু অসম ৰাজ্যিক চলচ্চিত্ৰ বিত্ত আৰু উন্নয়ন নিগমৰ যৌথ উদ্যোগত **অসমীয়া চলচ্চিত্ৰৰ ৯০ বছৰীয়া জোনাকী যাত্ৰা** শীৰ্ষক এটা অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানতে অসমীয়া চলচ্চিত্ৰৰ জৰিয়তে ৰাষ্ট্ৰীয় পৰ্যায়ত সুনাম অৰ্জন কৰা ৪২ গৰাকী পৰিচালক, অভিনেতা, কলা-কুশলী আৰু সমালোচকক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি তিনিটা শাখাত অসমীয়া চলচ্চিত্ৰৰ বিষয়ক লৈ এখন ৰচনা প্ৰতিযোগিতাও

অনুষ্ঠিত হয়। অনুষ্ঠানত অংশ লৈ তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড০ সুব্ৰজ্যোতি নেওগে **প্ৰাক স্বাধীনতা কালৰ অসমীয়া চলচ্চিত্ৰৰ বিষয়, ব্যৱস্থাপনা আৰু সমালোচনা ঃ কেতবোৰ অনালোচিত প্ৰসংগ** শীৰ্ষক বিষয়ত বক্তৃতা দিয়ে। আজিৰ অনুষ্ঠানত অসমৰ চলচ্চিত্ৰ আৰু সংবাদ জগতৰ সৈতে জড়িত কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

১৯৩৫ চনৰ ১০ মাৰ্চত তেতিয়াৰ কলিকতাৰ ৰৌনাক থিয়েটাৰত ৰূপকোঁৱৰৰ পৰিচালিত প্ৰথমখন অসমীয়া চলচ্চিত্ৰ জয়মতীয়ে মুক্তি লাভ কৰিছিল।

০০০০০

সমাগত হোলী আৰু ৰঙৰ উৎসৱ ফাকুৱাৰ সময়ত যাত্ৰীৰ বৰ্ধিত চাহিদা পূৰণ কৰিবলৈ উত্তৰ-পূব সীমান্ত ৰে'লৰে মুঠ ৩০টা যাত্ৰাৰ বাবে বিশেষ ৰে'ল চলাচল কৰোৱাব। ইতিমধ্যে নাৰেংগী-গোৰখপুৰ জংছন-নাৰেংগী, কাটিহাৰ-অমৃতসৰ-কাটিহাৰ, কামাখ্যা-আনন্দ বিহাৰ টাৰ্মিনেল হৈ কামাখ্যা অভিমুখী ৰে'লৰ লগতে মুঠ ২৬ টা যাত্ৰাৰ বাবে বিশেষ ৰে'লৰ চলাচলৰ বিষয়ে ৰে'লৰে সূত্ৰই প্ৰকাশ কৰিছে। ইয়াৰ উপৰি ডিব্ৰুগড়ৰ পৰা জয়নগৰ হৈ পুনৰ ডিব্ৰুগড়ত উপস্থিত হ'বলগীয়া আৰু ডিব্ৰুগড়ৰ পৰা গোৰখপুৰলৈ যাত্ৰা কৰি পুনৰ ডিব্ৰুগড়লৈ চাৰিটা যাত্ৰাৰ বাবে ৰে'ল চলাচল কৰোৱা হ'ব বুলি উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০

মাজুলী বালিচাপৰিৰ নিবাসী সমাজকৰ্মী ৰাতুল ভূঞাৰ আজি পুৱা যোৰহাট অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। মাজুলীৰ উদয়জ্যোতি ক্লাবৰ প্ৰাক্তন সভাপতি তথা বালিচাপৰিৰ মিলিত কৃষ্টিসংঘৰ মুখ্য বায়ন প্ৰয়াত ভূঞাৰ মৃত্যুৰ সময়ত বয়স আছিল ৫১ বছৰ। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০০

সমাপ্ত